www.prepp.in

Prepp
Your Personal Exams Guide

# UGC NET PAPER 3 JANUARY 03, 2017 SHIFT 1 ASSAMESE QUESTION PAPER

Note : This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

টোকা : এই প্ৰশ্নকাকতত **পয়সত্তৰ** (75) টা বহুবিকল্পীয় প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (2)** । সকলো প্ৰশ্ন বাধ্যতামূলক।

তলৰ 1ৰ পৰা 20নং প্ৰশ্নলৈকে চাৰিটা বিকল্প উত্তৰ দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

1. পোৱালি হাতীৰে শুঁৰ
   সেইনো কথা শুনি কাচন কুঁৱৰীয়ে
   তললৈ কৰিলে মূৰ ।
   উদ্ধৃত গীতফাঁকি কোনবিধৰ গীত ?
   (1) বৰফুকনৰ গীত (2) ফুলকোঁৱৰৰ গীত
   (3) নাহৰৰ গীত (4) জনা গাভৰুৰ গীত

2. 'আহে সামাজিক লোক হামু যা কহব তাহেক দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল-ইয়াৰ ভাষা হ'ল –
   (1) প্ৰাচীন অসমীয়া ভাষা (2) মধ্য যুগৰ অসমীয়া ভাষা
   (3) ব্ৰজাৱলী ভাষা (4) ভট্টদেৱৰ ভাষা

3. অসমীয়া লিপিৰ স্পষ্ট নিদৰ্শন পোৱা প্ৰথম লিপিখন হ'ল –
   (1) নগাজৰী খনিকৰ (2) মান্‌সেহৰা
   (3) কানাইবৰশী বোৱা (4) বৰগংগা

4. থাইচীন শাখাৰ অসমত পোৱা ভাষাকেইটামান হ'ল –
   (1) কক্‌বৰক্‌, বড়ো, কাৰ্বি, তিৱা
   (2) টুৰুং, আইতন, খাময়াং, খামতি
   (3) আদী, মিচিং, ডিবঙ্গীয়া, টেঙাপনীয়া
   (4) চায়াং, অয়ান, ময়িং, পাগ্ৰ

5. হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ'ত কোন ঠাইৰ বিৱৰণ আছে ?
   (1) ত্ৰিপুৰা (2) মণিপুৰ
   (3) অৰুণাচল (4) নগালেণ্ড

Prepp
Your Personal Exams Guide

6. 'জাত্ৰিকৰ জাত্ৰা' গ্ৰন্থৰ অনুবাদক জন হ'ল –

(1) নাথান ব্ৰাউন (2) এ.কে. গাৰ্ণী

(3) আত্মাৰাম শৰ্মা (4) লম্বোদৰ বৰা

7. 'ৰংমনৰ সাধু' শীৰ্ষক শিশুগ্ৰন্থখনৰ ৰচক হ'ল –

(1) নৱকান্ত বৰুৱা (2) নিৰ্মল প্ৰভা বৰদলৈ

(3) লীলা গগৈ (4) কৰবী ডেকা হাজৰিকা

8. (a) যাৰ অন্ত নাই

(b) যি গোচৰ তৰে

(c) যাৰ হাত আঁঠুৰ তলত পৰে

(d) যি পৰৰ ঠাইত বাস কৰে

উক্ত কথাখিনি এটা এটা শব্দত প্ৰকাশ কৰিব পৰা শব্দ চাৰিটা যথাক্ৰমে হ'ল –

(1) অন্তহীন, আপত্তিকাৰী, হাতদীঘল, বিদেশী

(2) আঁতহীন, পদকীয়া, হাতদীঘল, প্ৰবাসী

(3) আদ্যোপান্ত, অজীনপাতকী, দীঘলহতীয়া, স্বদেশী

(4) অনন্ত, গোচৰীয়া, আজানুলম্বিত, প্ৰবাসী

9. 'এবেলাৰ নাট' নাটকৰ নাট্যকাৰ হ'ল –

(1) মিত্ৰদেৱ মহন্ত (2) বিৰিঞ্চি কুমাৰ বৰুৱা

(3) সত্যপ্ৰসাদ বৰুৱা (4) সাৰদা বৰদলৈ

10. 'ৰ'দ জিকিমিকি' কবিতাপুথিৰ কবি হ'ল –

(1) কেশৱ মহন্ত (2) নীলমণি ফুকন

(3) ৰাম গগৈ (4) হেম বৰুৱা

11. 'অনুপমা অৰুণা কুসুম ইত্যাদি' শীৰ্ষক উপন্যাসখনৰ প্ৰণেতা হ'ল –

(1) প্ৰবীণা শইকীয়া (2) নীলিমা দত্ত

(3) কৰবী ডেকা হাজৰিকা (4) পূৰবী বৰমুদৈ

12. মহেশ্বৰ নেওগৰ 'শ্ৰী শ্ৰী শঙ্কৰদেৱ' শীৰ্ষক গ্ৰন্থখন প্ৰকাশিত হয় –

(1) ১৯৪৯ চনত (2) ১৯৫৫ চনত

(3) ১৯৬০ চনত (4) ১৯৬২ চনত

13. দেউৰী জনগোষ্ঠীৰ লগত সম্পৰ্কিত শব্দকেইটা হ'ল –

(1) পাঃচি, পাঃজি, বৰি, বোকাৰ

(2) পাতিদৰং, উজানি, ভাটীয়া, মদাহী

(3) ডিবঙীয়া, বৰগঞা, টেঙাপনীয়া, পাটৰগঞা

(4) অয়ান, মৰ্য্যিং, চায়াং, দাম্বুগ্

14. সোনালী ৰূপালী মাছ, নীলা বেঙুনীয়া মাছ

উজ্জ্বল হীৰাৰ ছটা - অযুত অৰ্ব্বুদ মাছ

কামনা-ৰঙীন

সাগৰ দুধাৰ কৰা গতি ক্ষুৰধাৰ,

হে দুৰ্ব্বাৰ ।

উক্ত কবিতাফাঁকিৰ কবি হ'ল –

(1) হৰি বৰ কাকতি

(2) হীৰেন্দ্ৰনাথ দত্ত

(3) মহিম বৰা

(4) মহেন্দ্ৰ বৰা

15. আছে ৰাজহংস সমূহে ৰঞ্জি ।

লীলায়ে মৃণাল ভুঞ্জে উভজি ।।

পাৱে পাৰিজাত মলয়া বাৱ ।

চটকে তেজেসু ললিত ৰাৱ ।।

উক্ত কবিতাফাঁকিৰ ছন্দটো হ'ল –

(1) ছবি

(2) লেচাৰি

(3) ঝুনা

(4) দুলড়ী

16. ফাৰকান্তি উৎসৱ হ'ল –

(1) মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান

(2) বিবাহ অনুষ্ঠান

(3) কৃষিভিত্তিক উৎসৱ

(4) জন্মৰ লগত জড়িত উৎসৱ

www.prepp.in

Prepp
Your Personal Exams Guide

17. সমস্ত ৰসক কোনে জানিবাক পাৰে ।

পখীসব উৰয় যেন পখা অনুসাৰে ।।

কবিসৰ নিবন্ধয় লোক ব্যৱহাৰে ।

কতো নিজ কতো লম্ভা কথা অনুসাৰে ।।

দৈৱ বাণী নুহি ইটো লৌকিকহে কথা ।

এতেক ইহাৰ দোষ নলৈবা সৰ্বথা ।।

উক্ত পদটিৰ কবিজন হ'ল –

(1) হেম সৰস্বতী
(2) অনন্ত কন্দলী
(3) শ্ৰীধৰ কন্দলী
(4) মাধৱ কন্দলী

18. 'জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি মাজত বাখৰামি কৰা কঁকালত মাৰিলে জৰদৰ টঙালি দেখিলে জিলমিল কৰা ।'

উক্ত গীতফাঁকি কোনবিধ গীতৰ অন্তৰ্গত ?

(1) নাহৰৰ গীত
(2) জনা গাভৰুৰ গীত
(3) বৰফুকনৰ গীত
(4) মণিকোঁৱৰৰ গীত

19. 'কানাই বৰশী বোৱা শিলালিপি'ৰ সময় হ'ল –

(1) খ্ৰীষ্টীয় একাদশ শতিকা
(2) খ্ৰীষ্টীয় দ্বাদশ শতিকা
(3) খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকা
(4) খ্ৰীষ্টীয় চতুদশ শতিকা

20. কোনোবা জোনাক নিশা

জুৰিৰ পাৰত তুমি আৰু মই

বুকুত মৰুৰ তৃষা

উক্ত পংক্তিটিৰ ভাব অধিক অৰ্থবহ কৰিবৰ বাবে ব্যৱহাৰ কৰা প্ৰতীক দুটি হ'ল –

(1) জোনাক নিশা আৰু জুৰিৰ পাৰ

(2) তুমি আৰু মই আৰু মৰুৰ তৃষা

(3) জুৰিৰ পাৰ আৰু মৰুৰ তৃষা

(4) জোনাক নিশা আৰু জুৰিৰ পাৰ

Prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

তলৰ 21 ৰ পৰা 30 নং প্ৰশ্নলৈকে প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ বিকল্প দিয়া আছে । এই বিকল্প সমূহৰ মাজত দুটা শুদ্ধ বিকল্প আছে । শুদ্ধ বিকল্পৰ থূলটো বিচাৰি উলিওৱাঁ ।

21. একেধাৰে কবি আৰু ঔপন্যাসিক

(i) নৱকান্ত বৰুৱা

(ii) হীৰেন ভট্টাচাৰ্য

(iii) মহিম বৰা

(iv) নীলমণি ফুকন

(1) (i), (iii)

(2) (ii), (iv)

(3) (i), (iv)

(4) (ii), (iii)

22. সাহিত্য অকাডেমি বঁটা প্ৰাপক দুগৰাকী লেখিকা হ'ল –

(i) নিৰ্মল প্ৰভা বৰদলৈ

(ii) অণিমা দত্ত

(iii) নিৰুপমা বৰগোহাঞি

(iv) প্ৰবীণা শইকীয়া

(1) (ii), (iv)

(2) (i), (iii)

(3) (iii), (iv)

(4) (i), (iii)

23. ব্যৱহাৰিক জ্ঞান সম্পৰ্কীয় দুখন গ্ৰন্থ –

(i) শ্ৰী হস্ত মুক্তাৱলী

(ii) নীতি লতাকুঁৰ

(iii) আনন্দ লহৰী

(iv) শ্ৰী শ্ৰী চণ্ডী

(1) (iii), (iv)

(2) (i), (iii)

(3) (i), (ii)

(4) (ii), (iv)

Prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

24. 'উষা পৰিণয়' আৰু 'সাবিত্ৰী উপাখ্যান' পুথি দুখনৰ কবি দুজন হ'ল –

(i) পীতাম্বৰ কবি

(ii) হেম সৰস্বতী

(iii) ৰাম সৰস্বতী

(iv) ৰঘুনাথ মহন্ত

(1) (i), (ii)

(2) (iii), (iv)

(3) (i), (iii)

(4) (ii), (iv)

25. কোন দুটা কৃষি উৎসৱ নহয় ?

(i) মপিন্

(ii) চমাংকান

(iii) ফুৰালুং

(iv) আলি আয়ে লৃগাং

(1) (i), (iv)

(2) (ii), (iv)

(3) (ii), (iii)

(4) (iii), (iv)

26. তলৰ কোন দুবিধ স্থাপত্য নহয় ?

(i) নাগৰক

(ii) মৈদাম

(iii) কোনাৰ্ক

(iv) হয়গ্ৰীৱ মাধৱ মন্দিৰ

(1) (ii), (iii)

(2) (i), (ii)

(3) (ii), (iv)

(4) (i), (iii)

27. তলত দিয়া কোন দুটা শব্দ বড়োভাষাৰ পৰা অহা শব্দ ?

(i) জখলা

(ii) লাওপানী

(iii) শিলিখা

(iv) পোখা

(1) (i), (iii)

(2) (i), (iv)

(3) (ii), (iii)

(4) (iii), (iv)

28. তলত দিয়া কোন দুখন নাটক পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰা ?

(i) গাঁওবুঢ়া

(ii) বেলিমাৰ

(iii) চক্ৰধ্বজ সিংহ

(iv) গদাধৰ

(1) (i), (iii)

(2) (ii), (iii)

(3) (iii), (iv)

(4) (i), (iv)

29. তলৰ অলঙ্কাৰবোৰৰ কোন দুবিধ ডিঙিত নিপিন্ধে ?

(i) থুৰীয়া

(ii) জোনবিৰি

(iii) দুগদুগি

(iv) উঝন্তি

(1) (iii), (iv)

(2) (i), (ii)

(3) (i), (iv)

(4) (ii), (iv)

www.prepp.in

30. তলত দিয়া কোন দুখন কবিতাপুথি অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ৰচনা কৰা ?

(i) বেদনাৰ উল্কা

(ii) অনুভূতি

(iii) যুগদেৱতা

(iv) থুনিতৰা

(1) (i), (iv)
(2) (i), (ii)
(3) (ii), (iii)
(4) (iii), (iv)

তলৰ 31ৰ পৰা 35লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি অথবা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2) (3) আৰু (4) বিকল্পৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

31. স্বৰধ্বনিসমূহক অনিয়তাঘৃষ্ট ধ্বনি বুলি কোৱাৰ মূল কাৰণ হ'ল –

(1) স্বৰধ্বনিসমূহ ব্যঞ্জন ধ্বনিৰ পৰা পৃথক আৰু সুকীয়াকৈ তালিকা কৰা হয় ।

(2) স্বৰধ্বনিৰ উচ্চাৰণত হাওঁফাওঁৰ পৰা নিৰ্গত বায়ুৱে বাধা নাপায় আৰু ক'তো ঘৰ্ষণ নহয় ।

(3) স্বৰধ্বনিসমূহ শিথিল আৰু উচ্চাৰণ কোমল ।

(4) স্বৰধ্বনিসমূহ ব্যঞ্জনৰ লগত যোগ হৈ থাকে ।

32. অসমৰ মানুহৰ সাধাৰণ আকৃতি প্ৰকৃতি মঙ্গোলীয় । কাৰণ,

(1) যোৱা কেইবা-হাজাৰো বছৰ ধৰি আৰু খাইকৈ আহোম যুগত হোৱা জাতিগত সমন্বয়ে সকলো জাতিৰ ওপৰতে আৱয়বিক আৰু মঙ্গোলীয় তেজৰ প্ৰভাৱ পেলাইছে ।

(2) আৰ্যমূলীয় বহুতো মানুহ মঙ্গোলীয় গোষ্ঠীভুক্ত হ'ল ।

(3) মঙ্গোলীয় সকল হিন্দুভাষী হৈ পৰিল ।

(4) খাদ্যাভ্যাসত মঙ্গোলীয় প্ৰভাৱ পৰিল ।

33. পৰশু কুঠাৰখান পাৰিয়া কান্ধত ।
ভয়ঙ্কৰ ধনুখান ধৰিয়া হাতত ।
ৰাজাৰ সেনাৰ মাজে ভৈলা উপগত ।।

উক্ত পদফাঁকিত পুনৰুক্তবদাভাস অলংকাৰ পোৱা যায় কাৰণ –

(1) প্ৰতিটো পংক্তিৰ অন্ত্যমিল আছে

(2) -খান আৰু -ইয়া ধ্বনিগুচ্ছ দুটাৰ সঘন প্ৰয়োগ আছে

(3) দুটা একে অৰ্থৰ শব্দ ওচৰা ওচৰিকৈ ব্যৱহাৰ কৰি সুকীয়া অৰ্থ প্ৰকাশ কৰিছে

(4) কান্ধত, হাতত দৈহিক শব্দৰ সঘন প্ৰয়োগ হৈছে

Prepp Your Personal Exams Guide

34. বৰদোৱা নাম গ্ৰাম শস্যে মৎসে অনুপম
লৌহিত্যৰ জলে অনুকূল ।
ভৈলা সেই গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
কায়স্থ কুলৰ পদ্মফুল ।।
উক্ত কাব্যফাঁকি দীৰ্ঘ ত্ৰিপদী ছন্দৰ ।
কাৰণ –
(1) ইয়াৰ ধ্বনিবিন্যাস হ'ল – ৮ + ৮ + ১০
(2) ইয়াৰ ধ্বনিবিন্যাস হ'ল – ৮ + ৮ + ১২
(3) ইয়াৰ ধ্বনিবিন্যাস হ'ল – ৬ + ৬ + ১০
(4) ইয়াৰ ধ্বনিবিন্যাস হ'ল – ৮ + ৮ + ১৪

35. অসমীয়া ভাষাৰ পুৰুষবাচক সৰ্বনামৰ লগত ক্ৰিয়াৰূপৰ সম্পৰ্ক আছে, কাৰণ –
(1) ক্ৰিয়াৰূপৰ অন্তত থকা প্ৰত্যয়ে পুৰুষ নিৰ্দেশ কৰে ।
(2) ক্ৰিয়াৰ কালবাচক প্ৰত্যয়ে পুৰুষ নিৰ্দেশ কৰে ।
(3) পুৰুষ অনুসৰি ক্ৰিয়াৰূপৰ কোনো সালসলনি নহয় ।
(4) ক্ৰিয়াৰ নঞৰ্থক প্ৰত্যয়ৰ প্ৰয়োগত সহায় কৰে ।

তলৰ 36ৰ পৰ 40লৈ দিয়া প্ৰতিটো উক্তি (Assertion) আৰু যুক্তি (Reason) হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৱা (1), (2), (3), (4) ৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰা ।

36. **উক্তি** : যুদ্ধৰ পিছত অসমীয়া সাহিত্যই নতুন গজালি মেলিব লগীয়া হ'ল ।
**যুক্তি** : যুদ্ধই অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিক এক নতুন মাত্ৰা প্ৰদান কৰিলে ।
(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ
(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

37. **উক্তি** : বেজবৰুৱাৰ পৈনত কলমে জোনাকী যুগতে যি সাধুকথা সাহিত্যৰ বাট মুকলি কৰিছিল, পিছলৈ সেই বাটেদিয়েই আগবাঢ়ি আহিছিল অন্যান্য সাহিত্যিক সকলো ।
**যুক্তি** : সাধুকথাবোৰে সকলোকে আকৃষ্ট কৰিছিল ।
(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ
(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

38. **উক্তি** : অনুবাদৰ মাধ্যমেৰ দুটা সংস্কৃতিৰ মিলন হৈ এক সমন্বিত সংস্কৃতিৰ সৃষ্টি হয় ।

**যুক্তি** : মানুহে অনূদিত সাহিত্যৰ যোগেদি উন্নত সংস্কৃতিৰ সৈতে পৰিচিত হৈ নিজৰ সংস্কৃতি চিন্তনৰ বিয়োগাত্মক দিশৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস কৰিব পাৰে ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

39. **উক্তি** : সৃজনীমূলক সাহিত্য স্বাভাৱিকতে মনোধৰ্মী ।

**যুক্তি** : লোক সাহিত্যৰ সৃষ্টিধৰ্মী অংশটোত আদিম জন সমাজৰ মানসিক জগতখনৰ স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায় ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

40. **উক্তি** : স্বৰবৃত্ত ছন্দৰীতিত অৱস্থান নিৰ্বিশেষে যুগ্ম ধ্বনি সচৰাচৰ সংশ্লিষ্ট ৰূপত উচ্চাৰিত হয় ।

**যুক্তি** : স্বৰবৃত্ত ছন্দত শব্দৰ অৱস্থান নিৰ্বিশেষে যুগ্মধ্বনি বিশ্লিষ্ট আৰু সেয়ে মাত্ৰা সংস্থাপনৰ দৃষ্টিকোণৰ পৰা এই ৰীতি আটাইতকৈ বেছি পৰিষ্কাৰ আৰু সহজ ।

(1) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

তলত 41 ৰ পৰা 55 লৈ দিয়া বিষয়সমূহ লগত দিয়া নিৰ্দেশনাৰ আধাৰত সজাই (1), (2), (3) (4) গোটৰ পৰা শুদ্ধ ক্ৰমটো নিৰ্ণয় কৰাঁ ।

41. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ –

(a) বাণীকান্ত কাকতি

(b) মহেশ্বৰ নেওগ

(c) কেশৱানন্দ দেৱ গোস্বামী

(d) শৈলেন ভৰালী

(1) (d) (c) (b) (a)

(2) (a) (d) (b) (c)

(3) (b) (c) (a) (d)

(4) (a) (b) (c) (d)

42. তলৰ আলোচনীকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ ।

(a) বিজুলী

(b) ঊষা

(c) আৱাহন

(d) মণিদীপ

(1) (d) (c) (a) (d)
(2) (a) (b) (c) (d)
(3) (a) (c) (d) (b)
(4) (b) (d) (a) (c)

43. সময় অনুসৰি সজোৱাঁ :

(a) ভাস্কৰবৰ্মাৰ ডুবি-তাম্ৰশাসন

(b) উমাচল শিলালিপি

(c) বনমালবৰ্মদেৱৰ পৰ্বতীয়া তাম্ৰ-শাসন

(d) ধৰ্মপালৰ পুষ্পভদ্ৰাৰ তাম্ৰ-শাসন

(1) (a) (b) (c) (d)
(2) (d) (c) (b) (a)
(3) (b) (a) (c) (d)
(4) (a) (d) (b) (c)

44. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ

(a) ৰামসৰস্বতী

(b) হেমসৰস্বতী

(c) দুৰ্গাবৰ কায়স্থ

(d) ৰুচিনাথ কন্দলী

(1) (a) (c) (d) (b)
(2) (d) (a) (c) (b)
(3) (b) (c) (a) (d)
(4) (c) (d) (b) (a)

45. প্ৰকাশৰ চন অনুসৰি সজোৱাঁ

(a) অসমীয়া ভাষাৰ ৰূপকথা

(b) অসমীয়া ভাষা আৰু সংস্কৃতি

(c) অসমীয়া ভাষাৰ ৰূপতত্ত্ব

(d) অসমৰ ভাষা

(1) (a) (b) (c) (d)
(2) (b) (a) (d) (c)
(3) (c) (d) (a) (b)
(4) (b) (c) (d) (a)

Prepp
Your Personal Exams Guide

46. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ ।

(a) ৰজনীকান্ত বৰদলৈ

(b) হিতেশ ডেকা

(c) নিৰুপমা বৰগোহাঞি

(d) মামণি ৰয়চম গোস্বামী

(1) (d) (c) (b) (a)

(2) (a) (d) (c) (b)

(3) (a) (b) (c) (d)

(4) (c) (d) (a) (b)

47. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ

(a) পদ্মনাথ গোহাঞি বৰুৱা

(b) যতীন্দ্ৰনাথ দুৱৰা

(c) গনেশচন্দ্ৰ গগৈ

(d) ডিম্বেশ্বৰ নেওগ

(1) (c) (d) (b) (a)

(2) (b) (d) (c) (a)

(3) (a) (b) (d) (c)

(4) (a) (b) (c) (d)

48. প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ ।

(a) বহুল ব্যাকৰণ

(b) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব

(c) শুধ অসমীয়া

(d) নিকা অসমীয়া ভাষা

(1) (a) (d) (c) (b)

(2) (a) (b) (c) (d)

(3) (b) (d) (a) (c)

(4) (c) (a) (b) (c)

Prepp
Your Personal Exams Guide

49. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ ।

(a) ৰাম সৰস্বতী

(b) ৰুচিনাথ কন্দলী

(c) হৰকান্ত বৰুৱা

(d) গুণাভিৰাম বৰুৱা

(1) (a) (d) (b) (c)

(2) (b) (a) (d) (c)

(3) (a) (b) (c) (d)

(4) (d) (c) (b) (a)

50. প্ৰকাশৰ চন অনুসৰি সজোৱাঁ ।

(a) সুৰুযমুখীৰ স্বপ্ন

(b) অঘৰী আত্মাৰ কাহিনী

(c) মাটিৰ চাকি

(d) ধন্য নৰ তনু ভাল

(1) (c) (a) (b) (d)

(2) (a) (b) (c) (d)

(3) (d) (c) (b) (a)

(4) (b) (d) (a) (c)

51. জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ ।

(a) শিৱনাথ বৰ্মন

(b) যতীন্দ্ৰনাথ দুৱৰা

(c) মহেন্দ্ৰ বৰা

(d) সত্যেন্দ্ৰনাথ শৰ্মা

(1) (a) (b) (c) (d)

(2) (b) (d) (c) (a)

(3) (d) (c) (b) (a)

(4) (c) (d) (a) (b)

Prepp
Your Personal Exam Guide

Prepp
Your Personal Exams Guide

52. প্ৰথম প্ৰকাশৰ সময়ৰ আধাৰত সজোৱাঁ ।
(a) সাহিত্যৰ সাজ
(b) অসমীয়া কবিতাৰ ছন্দ
(c) সাহিত্য বিদ্যা পৰিক্ৰমা
(d) আধুনিক সাহিত্য
(1) (a) (d) (b) (c)
(2) (a) (b) (c) (d)
(3) (d) (c) (b) (a)
(4) (a) (b) (d) (c)

53. জ্যেষ্ঠতাৰ ভিত্তিত সজোৱাঁ
(a) ৰঘুনাথ মহন্ত
(b) ৰামচৰণ ঠাকুৰ
(c) অনন্ত কন্দলী
(d) দুতিৰাম হাজৰিকা
(1) (c) (d) (a) (b)
(2) (d) (c) (b) (a)
(3) (c) (b) (a) (d)
(4) (d) (c) (a) (b)

54. শতিকা অনুযায়ী ক্ৰম নিৰ্ণয় কৰি সজোৱাঁ :
(a) কবিৰাজ চক্ৰবৰ্তী
(b) ৰাম সৰস্বতী
(c) ভট্টদেৱ
(d) কাশীনাথ তামুলী ফুকন
(1) (a) (d) (c) (b)
(2) (b) (c) (a) (d)
(3) (c) (b) (a) (d)
(4) (d) (a) (b) (c)

55. প্ৰকাশন চন অনুসৰি সজোৱাঁ :
(a) ভাৱৰ আৰু নাই
(b) বল্লৰী
(c) সুবালা
(d) জীৱনৰ বাটত
(1) (a) (b) (d) (c)
(2) (b) (c) (a) (d)
(3) (d) (a) (c) (b)
(4) (c) (d) (b) (a)

prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

56-ৰ পৰা 70 লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (1), (2), (3), (4) এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা বিকল্পটো চিহ্নিত কৰা।

**56.** 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা — i. সত্যেন্দ্ৰনাথ শৰ্মা
b. অসমীয়া উপন্যাসৰ ভূমিকা — ii. উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
c. অসমীয়া ৰামায়ণী সাহিত্য — iii. বিৰিঞ্চি কুমাৰ বৰুৱা
d. অসমীয়া কথা-সাহিত্য — iv. লীলা গগৈ

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | i | ii | iii |
| (2) | i | ii | iii | iv |
| (3) | iv | iii | ii | i |
| (4) | ii | i | iv | iii |

**57.** 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. মোৰাংচু — i. মিজো
b. প'লকুট — ii. আওনগা
c. জহং — iii. চাহ জনগোষ্ঠী
d. চাৰুল — iv. কাৰ্বি

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | ii | i | iv | iii |
| (3) | iii | ii | i | iv |
| (4) | iv | iii | ii | i |

**58.** 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. আলাবাদু — i. খাচী
b. নোদোকা — ii. কোলমুণ্ডা
c. হোজা — iii. মালয়
d. গাহৰি — iv. বড়ো

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | iv | iii | ii | i |
| (3) | ii | i | iv | iii |
| (4) | ii | iii | i | iv |

Prepp
Your Personal Exams Guide

59. 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. হাসিয়া হাসিয়া ৰাধিকা ৰাণী ।
কৃষ্ণক বোলন্ত মধুৰ বাণী ।। — i. কুসুমমালা

b. তোৰ মাৰ বুঢ়ী
পৰমা সুন্দৰী
বোলন্ত মুৰাৰি
নাহি কৰা ছুৰি — ii. ঝুনা

c. জিলিকা পাখিৰে হাঁহে ৰবিৰ কিৰণ
জিলিকা পখিলা নাচি ফুৰে অগনন — iii. দুলড়ী

d. প্ৰীতি লহৰী শান্তিৰ আঁজলি
বিশ্বক কৰিছে দান,
লভিলে চেতনা, নীৰৱ প্ৰকৃতি
ধৰিছে সুৰদি তান ।। — iv. পয়াৰ

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | ii | i | iv | iii |
| (3) | iv | iii | ii | i |
| (4) | iii | iv | i | ii |

60. 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. চামগুৰিয়া — i. আহোম

b. আবৰৰ — ii. বড়ো

c. ছাইফা — iii. দেউৰী

d. বিবাৰ — iv. মিচিং

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iii | ii | i | iv |
| (2) | ii | iii | iv | i |
| (3) | iv | iii | i | ii |
| (4) | i | iv | iii | ii |

Prepp
Your Personal Exams Guide

61. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | দবুৰ | i. | আদী |
| b. | ৰিক্‌খন্ | ii. | কাৰ্বি |
| c. | মপিন্ | iii. | আহোম |
| d. | চমাংকান | iv. | মিচিং |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | iv | ii | iii |
| (2) | iv | iii | i | ii |
| (3) | ii | i | iii | iv |
| (4) | iii | ii | iv | i |

62. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| a. | তেওঁক মই যোৱাগৈ দেখিছিলোঁ বেলি<br>লহিওৱাৰ পৰত পথাৰৰ বঁকিয়াইদি । | i. | নৱকান্ত বৰুৱা |
| b. | ইয়াত মানুহ নাই ।<br>অকলে অকলে মই এন্ধাৰ বাটত | ii. | নিৰ্মল প্ৰভা বৰদলৈ |
| c. | উজাগৰ ৰাতি<br>সপোন দেখিছোঁ মই<br>ফুল-আলসুৱা তোমাৰ মুখৰ | iii. | কেশৱ মহন্ত |
| d. | আঘোনৰ কুঁৱলীত ধাননি লুকালে<br>আঘোনৰ কুঁৱলীয়ে দাৱনী ঢাকিলে<br>আঘোনৰ কুঁৱলীতে সেউতী হেৰালে | iv. | হীৰেণ ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iv | iii |
| (2) | i | ii | iii | iv |
| (3) | iv | iii | ii | i |
| (4) | i | iv | ii | iii |

Prepp Your Personal Exam Guide

63. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. ভাষা বিজ্ঞনৰ ভূমিকা | i. ফনীন্দ্ৰনাৰায়ণ দত্ত বৰুৱা |
| b. আধুনিক ভাষাবিজ্ঞান পৰিচয় | ii. ৰমেশ পাঠক |
| c. ভাষাবিজ্ঞান উপক্ৰমণিকা | iii. উপেন্দ্ৰনাথ গোস্বামী |
| d. ভাষাবিজ্ঞান | iv. অৰ্পণা কোঁৱৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | iv | iii | ii | i |
| (3) | iii | iv | i | ii |
| (4) | ii | i | iv | iii |

64. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. তত্ত্বকথা | i. সূৰ্যকুমাৰ ভূঞা |
| b. আহোমৰ | ii. লক্ষ্মীনাথ বেজবৰুৱা |
| c. সাহিত্য আৰু প্ৰেম | iii. তীৰ্থনাথ শৰ্মা |
| d. পঞ্চপুষ্প | iv. বাণীকান্ত কাকতি |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | iv | iii | ii | i |
| (3) | ii | i | iv | iii |
| (4) | iii | iv | ii | i |

65. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. সোণৰ সোলেং | i. বিনন্দচন্দ্ৰ বৰুৱা |
| b. প্ৰতিধ্বনি | ii. হিতেশ্বৰ বৰবৰুৱা |
| c. ঢোপাকলি | iii. পদ্মনাথ গোহাঞিবৰুৱা |
| d. ফুলৰ চানেকি | iv. পাৰ্বতীপ্ৰসাদ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iii | iv |
| (2) | iii | iv | i | ii |
| (3) | iv | i | ii | iii |
| (4) | i | iii | iv | ii |

Prepp Your Personal Exams Guide

66. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| a. | ৰঠাগড়া দেওশাল | i. | চৰাইদেউ |
| b. | গাংমৌ থান | ii. | শদিয়া |
| c. | বুঢ়া বুঢ়ী থান | iii. | বিশ্বনাথ চাৰিআলি |
| d. | মৈদাম | iv. | লাকুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | iii | ii | i |
| (2) | i | iv | iii | ii |
| (3) | iii | ii | iv | i |
| (4) | ii | i | iii | iv |

67. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| a. | তেওঁৰ মুখেই পদুম | i. | অপহ্নুতি |
| b. | পদুমৰ নিচিনা মুখ | ii. | উৎপ্রেক্ষা |
| c. | তেওঁৰ মুখখন যেনিবা পদুম | iii. | উপমা |
| d. | এইখন মুখ নহয় এপাহ পদুমহে | iv. | ৰূপক |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | iv | iii | ii |
| (2) | iii | i | iv | ii |
| (3) | iv | iii | ii | i |
| (4) | ii | iv | iii | i |

68. 'ক' স্তম্ভ 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| a. | -ইছিলোঁ, -ইছোঁ | i. | স্বার্থিক |
| b. | -দেই, পাই | ii. | নিৰ্দিষ্টতাবাচক |
| c. | -জন, -খন, -টো | iii. | ধ্বন্যাত্মক |
| d. | হুৰ্ হুৰ্ | iv. | কালবাচক |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | iv | iii | ii |
| (2) | ii | iii | iv | i |
| (3) | iv | i | ii | iii |
| (4) | iii | ii | i | iv |

www.prepp.in
Prepp
Your Personal Exams Guide

69. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| a. | Kamrupi : A Dialect of Assamese | i. | S.N. Goswami |
| b. | Studies on Sino-Tibetan Language | ii. | B.K. Boruah |
| c. | Nagamese : The Language of Nagaland | iii. | G.C. Goswami |
| d. | An Introduction to Assamese Phonology | iv. | U.N. Goswami |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | iv | iii | ii |
| (2) | ii | iii | iv | i |
| (3) | iii | ii | i | iv |
| (4) | iv | i | ii | iii |

70. 'ক' স্তম্ভ — 'খ' স্তম্ভ

a. জালুকত গোবৰ পাপত মাটি
কলাপুলি ৰুবা তিনিবাৰ কাটি ।
— i. সাথৰ

b. ওৰা নিন্দে কোৰাই
পুঠি-খলিহকে নিন্দে ভেৰপেটী মোৰাই ।
— ii. ডাকৰ বচন

c. পিচিনা গছ নিচিনে ফল
খান্দি মৰে বাঁহৰ ত'ল ।
— iii. যোজমা পটন্তৰ

d. তিনি তেৰ
মধ্যে বাৰ
নদি যোগ কৰ,
তাৰপিছত লগাই ৰাম
পাৰ কৰি দিয়া
ঘৰলি যাম ।
— iv. ফকৰা

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | iv | iii | ii | i |
| (3) | iii | i | iv | ii |
| (4) | ii | iii | iv | i |

www.prepp.in

Prepp
Your Personal Exams Guide

তলত দিয়া কথাখিনি ভালদৰে পঢ়ি 71 ৰ পৰা 75 লৈকে সংলগ্ন প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ (1) (2), (3) আৰু (4) । বিকল্প মাজৰ পৰা বাছি উলিওৱাঁ :

মহাযুদ্ধৰ প্ৰতিকূল পৰিবেশে শিল্প-সাধনাৰ পথ ৰুদ্ধ কৰি দিয়ে । নাটক ৰচনা আৰু উপস্থাপন কৰাৰ প্ৰেৰণা নাইকিয়া হৈ যায় । কিন্তু যুদ্ধ শাম কটাৰ লগে লগে যি দুই-চাৰিখন নাটক ৰচিত হ'ল তাত নতুন শিল্প-ৰুচিৰ পৰিচয় ফুটি উঠিল । নাটকৰ ৰূপ-ৰীতিত চকুত পৰা পৰিৱৰ্তন পৰিস্ফুট হ'ল । শ্বেইক্সপীয়েৰৰ লগতে ইব্‌ছেনৰ বাস্তৱধৰ্মী কলা-কৌশলে নাটকৰ গঠন-পদ্ধতি কিছু পৰিমাণে সলনি কৰিলে । যুদ্ধৰ তিক্ত অভিজ্ঞতাই লেখকসকলক সামাজিক বাস্তৱতাৰ প্ৰতি সজাগ কৰি তুলিলে; তেওঁলোকক পূৰ্বৰ ৰোমান্টিক আদৰ্শৰ পৰা আঁতৰি আহিবলৈ উদগনি দিলে । ১৯৪৩ চনত প্ৰকাশিত জয়ন্তী আলোচনীৰ বৰঙণি এই প্ৰসঙ্গত স্মৰণীয় । আকৌ মহাযুদ্ধৰ অলপ পাছতেই ভাৰতৰ ভিতৰতে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলি থকা আন এখন দীঘদিনীয়া যুদ্ধৰো অৱসান ঘটিল । অনেক কষ্ট আৰু ত্যাগৰ বিনিময়ত ভাৰতে স্বাধীনতা পালে । স্বাধীনতা লাভে ঔপনিবেশিক শাসনৰ পৰা মুক্ত এটা নতুন পৰিবেশ সৃষ্টি কৰাত লেখকসকলে নিৰ্ভয়ে আৰু মুকলিমূৰীয়াকৈ মনৰ ভাব প্ৰকাশ কৰিবলৈ সুযোগ পালে । স্বাভাৱিকতে, সাহিত্যৰ অন্যান্য শাখাৰ লগতে নাটকতো পৰিৱৰ্তনৰ বা লাগিল । চৰিত্ৰসমূহৰ ব্যক্তিত্ব অধিক স্পষ্ট ৰূপত আঁকি উলিওৱাৰ উদ্যম পৰিলক্ষিত হ'ল । অৱশ্যে, ৰোমান্টিক যুগৰ অস্তগামী সূৰ্য্যৰ ৰশ্মি সম্পূৰ্ণৰূপে নাইকিয়া হৈ নগ'ল, ৰোমান্টিক অন্তৰ্মুখী চেতনা সূক্ষ্মভাৱে প্ৰকাশিত হৈ থাকিল । গতিকে, চল্লিছৰ দশকটো আধুনিক অসমীয়া নাটকৰ ইতিহাসত যুগ-সন্ধিক্ষণৰ দশক হিচাপে, নতুন পথ বিচৰাৰ প্ৰস্তুতি-পৰ্ব হিচাপে চিহ্নিত কৰিব পাৰি । ইয়াৰ পৰাই আধুনিক অসমীয়া নাটকৰ গতি-প্ৰকৃতি লাহে লাহে সলনি হ'বলৈ ধৰিলে । জীৱনৰ নতুন মূল্যবোধ গঢ়ি তোলাৰ আৰু নাটকত নতুন বৈশিষ্ট্য পৰিস্ফুট কৰাৰ আগ্ৰহ প্ৰকাশ পাবলৈ ধৰিলে । অৱশ্যে, এই বৈশিষ্ট্যসমূহে স্পষ্টতা আৰু ব্যাপকতা লাভ কৰে স্বাধীনতা লাভৰ পৰৱৰ্তী দশক অৰ্থাৎ পঞ্চাছৰ দশকতহে ।

স্বাধীনতা লাভৰ আগলৈকে অসমীয়া নাটকৰ বিষয়বস্তু প্ৰধানকৈ দুটা উৎসৰ পৰা সংগ্ৰহ কৰা হৈছিল : ইতিহাস আৰু পুৰাণ । ইয়াৰ এটা প্ৰধান কাৰণ আছিল জাতীয়তাবোধৰ উদ্ভৱ আৰু বিস্তাৰ । মানুহক দেশৰ প্ৰাচীন গৌৰৱ আৰু ঐতিহ্যৰ কথা সোঁৱৰাই দি জাতীয় চেতনাৰ উদ্ৰেক কৰিবলৈ বিচৰা হৈছিল । ফলত পৰাধীন দেশবাসীৰ ৰাজনৈতিক আৱেগেই এই নাটকসমূহত বেছিকৈ প্ৰতিফলিত হৈছিল । চল্লিছৰ দশকত ঐতিহাসিক আৰু পৌৰাণিক নাটকৰ লগতে গহীন সামাজিক নাটকৰ ধাৰাটোৱেই গা কৰি উঠিবলৈ আৰম্ভ কৰে । আনকি, ঐতিহাসিক আৰু পৌৰাণিক নাটকতো সমসাময়িক সামাজিক জীৱনৰ প্ৰভাৱ নপৰাকৈ নাথাকিল । কিন্তু এই আটাইখিনি নাটকৰে এটা মন কৰিবলগীয়া বিশেষত্ব হ'ল কাহিনী-বিন্যাসৰ সংক্ষিপ্ততা । ৰূপায়ণ-ৰীতিত এই নাট্যকাৰসকলে ইব্‌ছেন, শ্ব আদি বাস্তৱবাদী নাট্যকাৰসকলৰ আদৰ্শ গ্ৰহণ কৰিলে । পূৰ্বৰ পাঁচ অংকৰ পৰিৱৰ্তে তিনি বা চাৰি অংকতে কাহিনীৰ পৰিসমাপ্তি ঘটোৱা হ'ল আৰু অংকবিভাগ, দৃশ্যবিভাগ আদিত শ্বেইক্সপিয়েৰীয় বা ৰোমান্টিক নাটকৰ নিয়ম উলঙ্ঘা কৰা হ'ল । দৃশ্যবিভাগ নকৰাকৈ পোনপটীয়া অংকবিভাগতেই কাহিনী আবদ্ধ ৰখা আৰু দৃশ্যবিভাগে অংবিভাগৰ ঠাই অধিকাৰ কৰা দেখা গ'ল । কোনো কোনো নাটকত অংকবিভাজন আৰু দৃশ্যবিভাজন সলনি ঘটনাৰ সাৰবস্তু অথবা ঘটনা সংঘটিত স্থানে ভিন্ন পৰিস্থিতি আৰু অৱস্থাৰ ইংগিত দিলে । অনাৱশ্যক চৰিত্ৰ আৰু উক্তিয়ে যাতে নাটক ভাৰাক্ৰান্ত নকৰে তাৰ প্ৰতি নাট্যকাৰসকল সজাগ হ'ল আৰু ৰোমান্টিক নাট্যকাৰসকলে সংযোজন কৰা উপকাহিনী, লঘু দৃশ্য আদি লাহে লাহে বৰ্জন কৰাৰ ব্যৱস্থা কৰা হ'ল ।

Prepp
Your Personal Exams Guide

71. নাটকৰ ৰূপৰীতিত চকুত পৰা পৰিৱৰ্তন কেতিয়াৰ পৰা পৰিস্ফুট হৈছে ?
   (1) মহাযুদ্ধৰ পিছত নতুন শিল্পৰুচিৰ পৰিচয় ফুটি উঠা সত্বেও নাটকৰ ৰূপৰীতিত চকুত পৰা পৰিৱৰ্তন পৰিস্ফুট হৈছে ।
   (2) মহাযুদ্ধৰ পিছত মানুহৰ চকু মুকলি হোৱাৰ লগে-লগে নাটকৰ ৰূপৰীতিত চকুত পৰা পৰিৱৰ্তন পৰিস্ফুট হৈছে ।
   (3) মহাযুদ্ধৰ প্ৰতিকূল পৰিৱেশত ঘটা বিভিন্ন ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত নাটকৰ ৰূপৰীতিত চকুত পৰা পৰিৱৰ্তন পৰিস্ফুট হৈছে ।
   (4) মহাযুদ্ধৰ পিছত নতুন শিল্প-চিন্তাৰ উন্মেষ ঘটাৰ লগে-লগে নাটকৰ ৰূপ ৰীতিত চকুত পৰা পৰিৱৰ্তন পৰিস্ফুট হৈছে ।

72. সামাজিক বাস্তৱতাৰ প্ৰতি সজাগ হোৱাৰ অৰ্থ কেনেধৰপৰ ?
   (1) যুদ্ধৰ তিক্ত অভিজ্ঞতাৰে সিক্ত লেখক সকলক বাস্তৱ অভিমুখী কৰি সমাজক নতুনকৈ চোৱাৰ প্ৰৱণতা দিয়াৰ চেতনা ।
   (2) লেখকসকলে সমাজ আৰু বাস্তৱক সুসমন্বিত ৰূপত প্ৰতিষ্ঠা কৰাৰ স্বাভাৱিক প্ৰৱণতা ।
   (3) লেখকসকলে সমাজক নিজস্ব দৃষ্টিভংগীৰে চাবলৈ চেষ্টা কৰাৰ মানসিক প্ৰৱণতা ।
   (4) লেখকসকলে সমাজক যেনেকৈ দেখিছে তেনেকৈ যথাযথ প্ৰকাশ কৰাৰ অবিৰত প্ৰৱণতা ।

73. চল্লিছৰ দশকটো আধুনিক অসমীয়া নাটকৰ ইতিহাসত কিয় যুগ-সন্ধিক্ষণৰ দশক ?
   (1) এহাতে স্বাধীনতা প্ৰাপ্তি আৰু আনহাতে জীৱনৰ নতুন মূল্যবোধেৰে অসমীয়া নাটকৰ গতি প্ৰকৃতি পৰিৱৰ্তন হোৱা বাবে চল্লিছৰ দশকটো যুগ সন্ধিক্ষণৰ দশক ।
   (2) এহাতে ঔপনিবেশিক শাসনমুক্ত পৰিৱেশত নাটকৰ বিষয়বস্তু আৰু চৰিত্ৰৰ পৰিৱৰ্তন আৰু আনহাতে ৰোমান্টিক চেতনাৰ সূক্ষ্ম প্ৰকাশ চল্লিছৰ দশকটোত সম্ভৱ হোৱা বাবে ই যুগ সন্ধিক্ষণৰ দশক ।
   (3) এহাতে মহাযুদ্ধৰ অৱসান আৰু আনহাতে স্বাধীনতাপ্ৰাপ্তি এই দুইৰ সন্ধিক্ষণত অসমীয়া নাটকৰ অন্য দিশ উন্মোচিত হোৱা বাবে চল্লিছৰ দশকটো যুগ সন্ধিক্ষণৰ দশক ।
   (4) এহাতে ঔপনিবেশিক শাসন আৰু আনহাতে ৰোমান্টিক যুগৰ অৱসানত অসমীয়া নাটকৰ পৰিৱৰ্তন সূচিত হোৱা বাবে চল্লিছৰ দশকটো যুগসন্ধিক্ষণৰ দশক ।

74. স্বাধীনতা লাভৰ আগলৈকে নাটকৰ বিষয়বস্তু ইতিহাস আৰু পুৰাণৰ পৰা লোৱাৰ প্ৰধান কাৰণ কি আছিল ?
   (1) পৰাধীনতাৰ শিকলিৰে শৃংখলিত জনসাধাৰণক দেশৰ প্ৰাচীন গৌৰৱ আৰু ঐতিহ্যৰ কথা সোঁৱৰাই জাতীয় চেতনাৰে উদ্বুদ্ধিত কৰাটোৱেই প্ৰধান কাৰণ আছিল ।
   (2) জাতীয়তাবোধৰ উদ্ভৱ আৰু বিস্তাৰেৰে নাটক ৰচনাৰ প্ৰেৰণা লাভেই প্ৰধান কাৰণ আছিল ।
   (3) পৰাধীন দেশবাসীক ৰাজনৈতিক আবেগ সৰ্বস্বতাৰে নাটক ৰচিবলৈ প্ৰেৰণা যোগোৱাটোৱে প্ৰধান কাৰণ আছিল ।
   (4) ঐতিহাসিক আৰু পৌৰাণিক নাটকৰ জৰিয়তে সামাজিক চেতনা প্ৰসাৰিত কৰাটোৱে প্ৰধান কাৰণ আছিল ।

75. চল্লিছৰ দশকৰ অসমীয়া নাটকৰ বিশেষত্ব কি আছিল ?
   (1) চল্লিছৰ দশকৰ অসমীয়া নাটকৰ বিশেষত্ব আছিল ৰোমান্টিক নাটকৰ বিষয় উপস্থাপন ।
   (2) চল্লিছৰ দশকৰ অসমীয়া নাটকৰ বিশেষত্ব আছিল বাস্তৱবাদ আৰু অঙ্ক সংকোচন ।
   (3) চল্লিছৰ দশকৰ অসমীয়া নাটকৰ বিশেষত্ব আছিল কাহিনী-বিন্যাস আৰু ইবছেন, শ্ব আদিৰ আদৰ্শ ।
   (4) চল্লিছৰ দশকৰ অসমীয়া নাটকৰ বিশেষত্ব আছিল কাহিনী ৰূপায়নৰ সংক্ষিপ্ততা আৰু বাস্তৱবাদী আদৰ্শ ।

Prepp
Your Personal Exams Guide

Space For Rough Work

Prepp Your Personal Exam Guide